# 2 0 1 8

## ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' কাৰ ৰচনা ?

(খ) বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্ৰন্থখনৰ নাম কি ?

(গ) *An Assamese Grammar with Vocabulary And Exercises* কাৰ ৰচনা ?

(ঘ) অসমীয়া ভাষাত নাসিক্যধ্বনি কেইটা ?

(ঙ) ইংৰাজী Syntax শব্দটো ক'ৰ পৰা আহিছে ?

(চ) ভাষাৰ বৃহত্তম একক কি ?

(ছ) অসমীয়া ভাষাত অন্তঃসৰ্গ আছেনে?

(জ) অসমীয়া ভাষাৰ বিভক্তিবোৰৰ প্ৰয়োগ ব্যাকৰণগত বিষয় হয়নে?

(ঝ) অসমীয়া ভাষাত লিংগ কেই প্ৰকাৰৰ?

(ঞ) সুৰ-লহৰ অসমীয়া ভাষাত বিশিষ্টধ্বনি হয়নে?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ৰূপান্তৰ উৎপাদক ব্যাকৰণ (Transformational or Generative Grammar) বুলিলে কি বুজা?

(খ) অনুক্ৰম বৰ্ণ বুলিলে কি বুজা? উদাহৰণৰ সৈতে আলোচনা কৰা।

(গ) সৰ্গৰ অৱস্থানগত বিভাগ কেইটা আৰু কি কি?

(ঘ) অসমীয়া ভাষাত বচন-নিৰপেক্ষ ৰূপ বুলিলে কি বুজা?

(ঙ) তৎসম শব্দ কি? উদাহৰণ দিয়া।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া ভাষাত স্পৰ্শবৰ্ণ কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি স্পৰ্শবৰ্ণকেইটা তালিকাভুক্ত কৰি দেখুৱা।

(খ) অসমীয়া ভাষাৰ উষ্মধ্বনি সম্পৰ্কে লিখা।

(গ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? উদাহৰণৰ সৈতে আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ মুখ্য ধাতু সম্পৰ্কে লিখা।

(ঙ) প্ৰত্যয় আৰু বিভক্তিৰ মাজত থকা পাৰ্থক্য দেখুৱাই এটি চমু আলোচনা দাঙি ধৰা।

(চ) শূন্য বিভক্তি বুলিলে কি বুজা? উদাহৰণৰ সৈতে আলোচনা কৰা।

৪। (ক) অসমীয়া বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? ওঁঠৰ আকৃতি আৰু জিভাৰ অংশ অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা যুগুত কৰি বিশিষ্ট স্বৰধ্বনি-কেইটাক প্ৰতিনিধিত্ব কৰা আখৰবোৰ লিখা। ১০

*অথবা*

(খ) অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিকেইটাৰ আদ্য স্থানত বিৰোধ দেখুৱাই এটি আলোচনা যুগুত কৰা।

৫। (ক) অসমীয়া বহুবচনবাচক প্ৰত্যয় সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া অনিৰ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে উদাহৰণৰ সৈতে আলোচনা কৰা।

৬। (ক) অসমীয়া ভাষাত শব্দ বিভক্তি কেইটা প্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰ প্ৰয়োগ উদাহৰণৰ সৈতে আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া স্ত্ৰীলিংগবাচক প্ৰত্যয়বোৰৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণৰ সৈতে আলোচনা কৰা।

৭। (ক) অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ গৌণ বা সাধিত ধাতু সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

★★★